# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 30-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

বংগোপসাগৰত সৃষ্টি হোৱা গভীৰ নিম্নচাপৰ প্ৰভাৱত সমগ্ৰ পূব আৰু উত্তৰ-পূব ভাৰতত কালিৰে পৰা হোৱা প্ৰবল বৰষুণৰ ফলত অসমৰো বিভিন্ন ঠাইৰ জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীত  বানে আজি জটিল ৰূপ ধাৰণ কৰে। নিশা পৰ্যন্ত একেৰাহে বৰষুণ দি থকাৰ ফলত বান পৰিস্থিতি অধিক জটিল হৈ পৰিছে। এনে পৰিপ্ৰেক্ষিতত নগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নহানগৰীৰ ৰুক্মিনী আৰু সাতগাওঁত দুটাকৈ বান সাহায্য শিবিৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে বানত ক্ষতিগ্ৰস্ত লোকে যোগাযোগৰ বাবে কেইবাটাও  ফোন নম্বৰ ৰাজহুৱা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয় যে এই অঞ্চলসমূহৰ লগতে সমীপৰ  আন কোনো স্থানত যদি সাধাৰণ জনতা অসুবিধাৰ সন্মুখীন হৈছে  তেন্তে ফোন নম্বৰ কেইটাত তেওঁলোকে যোগাযোগ কৰিব পাৰিব। জনতাৰ বাবে মুকলি কৰি দিয়া ফোন নম্বৰ কেইটা হৈছে ৮৪৮৬৬৪০৬৩৩, ৮১৩৪৮৬৬২১২, ৯৯৫৪৩২৩৬১৪ আৰু ৯৯৫৪২৪১৭৬৬। উল্লেখযোগ্য যে ৰুক্মিণীগাঁৱৰ জি-এছ্ ৰোডৰ বিস্তৃৰ্ণ অঞ্চল এবুকু পৰ্যন্ত জলমগ্ন হৈ পৰাত সেই পথেৰে আজি পুৱাৰ ভাগৰ পৰাই যানবাহনৰ চলাচল বন্ধ হৈ পৰে। চিৰিয়াখানা পথৰ শ্ৰদ্ধাঞ্জলি উৰন সেতুৰ দুয়োফালৰ আৰম্ভণিৰ অংশৰ লগতে উৰণ সেতুৰ তল অংশ সম্পূৰ্ণ প্লাবিত হৈছে। এই পথেৰেও যান-বাহনৰ চলাচল বন্ধ হৈ পৰাত উৰণ সেতুৰ ওপৰত প্ৰচণ্ড যান-জঁটৰ সৃষ্টি হৈছে। মহানগৰীৰ বেলতলাৰ ৱায়াৰলেছ, হাতীগাঁও, জু-নাৰেংগী পথ, অনিল নগৰ, নবীন নগৰ, গোপীনাথ বৰদলৈ পথৰ অনুৰাধা চিনেমাৰ সন্মুখভাগ, চানমাৰি ক'ল'নি, আমবাৰী, গুৱাহাটীক্লাব, বৰাগাঁও আদিকে ধৰি মহানগৰীৰ বিভিন্ন ঠাই নগৰীয়া বানৰ কবলত পৰি জনজীৱন সম্পূৰ্ণ বিপৰ্যস্ত হৈ পৰিছে।

প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যিকোনো সহায়ৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে দুটা নম্বৰ মুকলি কৰিছে। ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪২৯৩১৪ এই দুটা টোলফ্ৰী নম্বৰত কোনো সমস্যাৰ বাবে ৰাইজে ফোন কৰিব পাৰিব। যোৰাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে তিনি-চাৰিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

প্ৰবল বৃষ্টিপাতৰ ফলত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। বিশেষকৈ মধুপুৰ, অভয়পুৰ, কটাহবজাৰ, ৰহধলা আৰু কলবাৰীত কৃত্ৰিম বানৰ ফলত জনজীৱন ব্যাহত হৈ পৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে।

আমাৰ হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, নগাঁও আৰু হোজাইৰ সংবাদদাতাসকলে জনোৱা মতে ধাৰাসাৰ বৰষুণৰ ফলত জিলাকেইখনৰ স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হোৱাৰ লগতে ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ প্ৰধান উপ-নৈ সমূহৰ পানী ফেনে-ফোটোকাৰে বাঢ়িবলৈ লোৱাত নৈপৰীয়া জনসাধাৰণ শংকিত হৈ পৰিছে। কাছাৰ জিলাৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা প্ৰবল বৰষুণৰ ফলত শিলচৰনগৰৰ কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হয়। ০০০

০০০০০

যোৱা কিছুদিন ধৰি চলি থকা ধাৰাষাৰ বৰষুণৰ ফলত ধুবুৰী জিলাৰ বান পৰিস্থিতিয়ে ক্ৰমাৎ জটি ৰূপ ধাৰণ কৰিছে। জিলাখনৰ প্ৰায় সকলো নৈ-উপনৈৰ পানী ফেনে ফোটোকাৰে বাঢ়ি আছে। বিলাসীপাৰা, চাপৰ, শাপতগ্ৰাম আদি অঞ্চলৰ বান পৰিস্থিতি উদ্বেগজনক হৈ পৰিছে। গৌৰাং নৈৰ খহনীয়াই বিলাসীপাৰাৰ বিভিন্ন নৈ পৰীয়া অঞ্চলত বিস্তৰ ক্ষতি সাধন কৰিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে এটা হেল্প লাইন নম্বৰ মুকলি কৰিছে। জিলাখনৰ বানত ক্ষতিগ্ৰস্ত যিকোনো লোকে ০৩৬৬ ৭২৫০০৫ নম্বৰলৈ ফোন কৰি সহায় বিচাৰিব পাৰিব। ডিব্ৰুগড় জিলাতো বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে এটা হেল্পলাইন নম্বৰ মুকলি কৰিছে। বিপদগ্ৰস্ত লোকে এই সময়ছোৱাত ৯৪৩৫৩ ৫৮৩৭১ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০

বাক্সা জিলা আয়ুক্তৰ সভাকক্ষত আজি বান প্ৰস্তুতি পৰ্যালোচনা সন্দৰ্ভত এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিদ্যুৎ বিভাগৰ ভূমিকা, দায়বদ্ধতা, সাহায্য শিবিৰ স্থাপন, আগতীয়া সতৰ্কতাক লৈ সজাগতা, বান অধিক ক্ষতিগ্ৰস্ত হ'বলগীয়া গাওঁ আদি সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। জিলা আয়ুক্ত গৌতম দাসৰ নেতৃত্বত অতি জৰুৰীভাৱে অনুষ্ঠিত বৈঠকত সাহায্য শিবিৰৰ পৰিচালনা সমিতিক সজাগ হৈ থাকিবলৈ আহ্বান জনোৱা হয়।

০০০০০

জটিল বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীৰ সকলো শিক্ষানুষ্ঠান কাইলৈ বন্ধ থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এই ঘোষণাৰ পাছতেই গুৱাহাটী বিশ্ববিদ্যালয়ে কাইলৈ অনুষ্ঠিত হবলগীয়া পৰীক্ষা স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰকে জনোৱা মতে পৰৱৰ্তী পৰ্যায়ত পৰীক্ষা পুনৰ অনুষ্ঠিত কৰা হ'ব। ইফালে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়েও প্ৰতিকূল বতৰৰ বাবে কাইলৈ অনুষ্ঠিত হবলগীয়া সকলো পৰীক্ষা স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে।

০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমা ফিলোবাৰীৰ সমীপৰ বাইপাছত  আজি বিয়লি এটা পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত নিহাৰ মাঝি নামৰ এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো লোক গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে অৰুণাচলৰ পৰা ডুলিয়াজান অভিমুখে আহি থকা এখন স্কোৰপিঅ' বাহন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত বাগৰি পৰাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত  হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চণ্ডীগড়ত অনুষ্ঠিত এলিমিনেটৰত মুম্বাই ইণ্ডিয়ানছে-গুজৰাট টাইটানছক জয়ৰ বাবে ২২৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২২৮ ৰাণ সংগ্ৰহ কৰে।

ooooo

সমাপ্ত